

দৈনিক অগ্ৰদূত

গুৱাহাটী ২ নৱেম্বৰ, শনিবাৰ ২০২৪ পৃষ্ঠা ৮

### জলবায়ু ঘড়ীৰ উদ্বোধন

# দিছপুৰ মহাবিদ্যালয়ত এনচিচিৰ দ্বাৰা মাহজোৰা স্বচ্ছতা অভিযান অনুষ্ঠিত

গুৱাহাটী, ১ নৱেম্বৰ ঃ দিছপুৰ মহাবিদ্যালয়ৰ ৪৮ অসম নৌসেনা এনচিচি বাহিনীৰ উদ্যোগত কালি দিছপুৰ মহাবিদ্যালয়ৰ কেফেটেৰিয়া ব্লকত মহাবিদ্যালয়ৰ পৰিচালনা, সমিতিৰ সভাপতি ড° বলেন্দ্ৰ কুমাৰ দাস আৰু মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই জলবায়ু ঘড়ী উদ্বোধন কৰে। দিছপুৰ মহাবিদ্যালয়ৰ ৪৮ অসম. নৌসেনা এনচিচি বাহিনীৰ চিটিঅ'দ্বয় চেৰলিন ইংজাইপি আৰু সুতীব্ৰ মালাকৰ আৰু উক্ত ইউনিটৰ কেডেটসকলৰ উপস্থিতিত হোৱা এই উদ্বোধনী অনুষ্ঠানত ছাত্ৰ-ছাত্ৰী আৰু যুৱক-যুৱতীসকলৰ মাজত পৰিৱেশ সচেতনতা সৃষ্টি কৰা আৰু এক বহনক্ষম ভৱিষ্যতৰ দিশে নিষ্ঠাবান দায়বদ্ধতাৰে অবিৰতভাৱে প্ৰচেষ্টা কৰা তথা এক বিবেকবান নাগৰিক হোৱাৰ এক নিৰন্তৰ সোঁৱৰণী হিচাপে জলবায়ু ঘড়ী স্থাপন কৰা হৈছে বুলি সুতীব্ৰ মালাকৰে মত প্ৰকাশ কৰে। জলবায়ু ঘড়ীৰ উদ্বোধনী অনুষ্ঠানতেই উক্ত ইউনিটৰ দ্বাৰা আয়োজিত 'স্বচ্ছতা হি সেৱা' অভিযানৰ অধীনত ২৬ ছেপ্টেম্বৰৰ পৰা ২৫ অক্টোবৰলৈকে অনুষ্ঠিত মাহজোৰা স্বচ্ছতা অভিযানৰ অন্ত পৰে।